**FRESHER'S 2023 OF SARAIGHAT COLLEGE**

**ON 19TH AUGUST, 2023**

### শৰাইঘাট মহাবিদ্যালয়ৰ নৱাগত আদৰণী সভা

# শিক্ষাৰ্থীসকল পিতৃ-মাতৃৰ প্ৰতি সদায় কৃতজ্ঞ হোৱা উচিত ঃ ড° ধৰণীধৰ গোস্বামী

**নিয়মীয়া বাৰ্তা, চাংসাৰি, ১৯ আগষ্ট ঃ** চাংসাৰিস্থিত শৰাইঘাট মহাবিদ্যালয়ৰ ৪২সংখ্যক নৱাগত আদৰণী সভাখন আজি অনুষ্ঠিত হয়। এই উপলক্ষে মহাবিদ্যালয়ৰ পতাকা উত্তোলন, শ্বহীদ তৰ্পণ, গছপুলি ৰোপণ, বন্তি প্ৰজ্বলন, ন-পুৰণি সতীৰ্থ সন্মিলন, সাংস্কৃতিক অনুষ্ঠানৰ লগতে এখন মুকলি সভা অনুষ্ঠিত হয়। ছাত্ৰ-ছাত্ৰীসকলৰ সমৱেত সংগীতেৰে সভাৰ কাৰ্যসূচী আৰম্ভ হয়। এই মুকলি সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকে সাহিত্যিক তথা অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ অৱসৰপ্ৰাপ্ত যুটীয়া সচিব ড° ধৰণীধৰ গোস্বামী। ভাষণত তেওঁ ছাত্ৰ-ছাত্ৰীসকলক পিতৃ-মাতৃৰ প্ৰতি সদায় কৃতজ্ঞ হ'বলৈ আহ্বান জনায়। তদুপৰি তেওঁ ভাৰতীয় দৰ্শনৰ কেতবোৰ উদ্ধৃতিৰে শিক্ষকসকলৰ ভগৱানৰ পাছতে স্থান অন্তৰ্নিহিত হৈ থকা বুলি উল্লেখ কৰি কয় যে এনে অন্তৰ্নিহিত স্থানৰ বাবে গুৰু-শিষ্যৰ সম্পৰ্ক সদায় পৱিত্ৰ হৈ থকা উচিত বা থাকিব লাগে। তেওঁ ভাষণৰ মাজতে যতীন্দ্ৰনাথ দুৱৰাই কৰা ওমৰ খায়ামৰ ৰুবায়ত কবিতাৰ অনুবাদ আবৃত্তি কৰে। একেদৰে ছাত্ৰ-ছাত্ৰীসকলক অধ্যয়নশীল হ'বলৈ আৰু সকলো বাধা নেওচি ধৈৰ্যৰে আগুৱাই যাবলৈ তেওঁ আহ্বান জনায় আৰু দৰিদ্ৰতা কেতিয়াও সফলতাত বাধা নহয় বুলি কেতবোৰ সাৱলীল কথাৰে উৎসাহিত কৰি তোলে শিক্ষাৰ্থীসকলক। বিশেষকৈ অতুল চন্দ্ৰ হাজৰিকা, তুলসী দাসৰ ৰামচৰিত মানস আদিৰ উদাহৰণ দাঙি ধৰি সকলোকে মুগ্ধ কৰে। মুকলি সভাত সভাপতিত্ব কৰে অধ্যক্ষ ড° মণি শৰ্মাই। পৰিচালনা সমিতিৰ সভাপতি ড° জ্ঞানদা নাথে শৰাইঘাট মহাবিদ্যালয়ক উন্নতিৰ জখলাত আগুৱাই লৈ যোৱাৰ পথত সকলোৰে সহায়-সহযোগিতা আন্তৰিকতাৰে কামনা কৰাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলৰ পাঠদানত নিয়মিত উপস্থিতি কামনা কৰে। মন কৰিবলগীয়া যে এই সভাত স্নাতক চূড়ান্ত বৰ্ষত বিভাগ অনুসৰি সৰ্বোচ্চ নম্বৰপ্ৰাপক ছাত্ৰ-ছাত্ৰীসকলক 'কমলা কান্ত নাথ বঁটা' প্ৰদান কৰা হয়। এই বঁটা প্ৰদান কৰে চাংসাৰি নিৱাসী স্বৰ্গীয় কমলা কান্ত নাথৰ পত্নী মাইকন প্ৰিয়া নাথ, পুত্ৰ অপূৰ্ব নাথ আৰু সীতা বৰা নাথে। অপূৰ্ব নাথে ভাষণত দৌৰবিদ হিমা দাস আৰু সাঁতোৰবিদ এলভিছ আলী হাজৰিকাৰ উদাহৰণ দি ছাত্ৰ-ছাত্ৰীসকলক উৎসাহিত কৰে। ইফালে নৱাগত আদৰণী সভাৰ লগত সংগতি ৰাখি ছাত্ৰ-ছাত্ৰীসকলে নৃত্য-গীত প্ৰদৰ্শন কৰে আৰু শেষত জনপ্ৰিয় সংগীত শিল্পী পল আকাশ আৰু ৰাজ আৰমানে কেইবাটাও গীত পৰিৱেশন কৰি সকলোকে মুগ্ধ কৰে।

### ছাত্ৰ-ছাত্ৰীসকল পিতৃ-মাতৃৰ প্ৰতি সদায় কৃতজ্ঞ হোৱা উচিত ঃ ড° ধৰণীধৰ গোস্বামী

# শৰাইঘাট মহাবিদ্যালয়ৰ নৱাগত আদৰণী সভা

**আমাৰ খবৰ, চাংসাৰি, ১৯ আগষ্ট ঃ** উত্তৰ কামৰূপৰ তথা জালুকবাৰী সমষ্টিৰ অন্যতম আগশাৰীৰ উচ্চ শিক্ষানুষ্ঠান চাংসাৰিস্থিত শৰাইঘাট মহাবিদ্যালয়ৰ ৪২ সংখ্যক নৱাগত আদৰণী সভাখন আজি অনুষ্ঠিত হয়। এই উপলক্ষে মহাবিদ্যালয়ৰ পতাকা উত্তোলন, শ্বহীদ তৰ্পণ, বৃক্ষৰোপণ কাৰ্যসূচী, বন্তি প্ৰজ্বলন, ন-পুৰণি সতীৰ্থ সন্মিলন, সাংস্কৃতিক অনুষ্ঠানৰ লগতে এখন মুকলি সভা অনুষ্ঠিত কৰা হয়। ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা পৰিৱেশিত এটি সমৱেত সংগীতৰ জৰিয়তে সভাৰ কাৰ্যসূচী আৰম্ভ হয়। এই মুকলি সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকে বিশিষ্ট সাহিত্যিক তথা অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ অৱসৰপ্ৰাপ্ত যুটীয়া সচিব ড° ধৰণীধৰ গোস্বামী। ভাষণ প্ৰসংগত বিশিষ্ট ব্যক্তিগৰাকীয়ে ছাত্ৰ-ছাত্ৰীসকলক পিতৃ-মাতৃৰ প্ৰতি সদায় কৃতজ্ঞ হ'বলৈ আহ্বান জনায়। তদুপৰি তেওঁ ভাৰতীয় দৰ্শনৰ কেতবোৰ উদ্ধৃতিৰে শিক্ষকসকল ভগৱানৰ পাছতে স্থান অন্তৰ্নিহিত হৈ থকা বুলি উল্লেখ কৰি কয় যে এনে অন্তৰ্নিহিত স্থানৰ বাবে গুৰু-শিষ্যৰ সম্পৰ্ক সদায় পৱিত্ৰ হৈ থকা উচিত বা থাকিব লাগে। তেওঁ নিজৰ অভিভাষণৰ মাজতে যতীন্দ্ৰনাথ দুৱৰাই কৰা ওমৰ খায়ামৰ ৰুবায়ত কবিতাৰ অনুবাদ আবৃত্তি কৰিও সকলোৰে দৃষ্টি আকৰ্ষণ কৰে। একেদৰে ছাত্ৰ-ছাত্ৰীসকলক অধ্যয়নশীল হ'বলৈ আৰু সকলো বাধা নেওচি ধৈৰ্যৰে আগুৱাই যাবলৈ আহ্বান জনায় আৰু দাৰিদ্ৰতা কেতিয়াও সফলতাত বাধা নহয় বুলি কেতবোৰ সাৱলীল কথাৰে উৎসাহিত কৰি তোলে শিক্ষাৰ্থীসকলক। বিশেষকৈ অতুল চন্দ্ৰ হাজৰিকা, তুলসী দাসৰ ৰামচৰিত মানস আদিৰ উদাহৰণ দাঙি ধৰি সকলোকে মুহিত কৰে। মুকলি সভাত সভাপতিত্ব কৰে অধ্যক্ষ ড° মণি শৰ্মাই। পৰিচালনা সমিতিৰ সভাপতি ড° জ্ঞানদা নাথ উপস্থিত থাকি শৰাইঘাট মহাবিদ্যালয়ক উন্নতিৰ জখলাত আগুৱাই লৈ যোৱাৰ পথত সকলোৰে সহায়-সহযোগিতা আন্তৰিকতাৰে কামনা কৰাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলক পাঠদানত নিয়মীত উপস্থিতি কামনা কৰে। মনকৰিবলগীয়া যে এই সভাত স্নাতক চূড়ান্ত বৰ্ষত বিভাগ অনুসৰি সৰ্বোচ্চ নম্বৰ প্ৰাপ্ত ছাত্ৰ-ছাত্ৰীসকলক 'কমলা কান্ত নাথ বটা' প্ৰদান কৰা হয়। এই বটা প্ৰদান কৰে চাংসাৰি নিৱাসী প্ৰয়াত কমলা কান্ত নাথৰ পত্নী মাইকণ প্ৰিয়া নাথ, পুত্ৰ অপূৰ্ব নাথ আৰু সীতা বৰা নাথে। অপূৰ্ব নাথে তেওঁৰ ভাষণ প্ৰসংগত দৌৰবিদ হিমা দাস আৰু সাঁতোৰবিদ এলভিজ আলীৰ উদাহৰণ দি ছাত্ৰ-ছাত্ৰীসকলক উৎসাহিত কৰে। ইফালে নৱাগত আদৰণী সভাৰ লগত সংগতি ৰাখি ছাত্ৰ-ছাত্ৰীসকলে নৃত্য-গীত প্ৰদৰ্শন কৰে আৰু শেষত জনপ্ৰিয়